# 「あの日のあの場所へ戻りたくて…」

モズムダーコウシク
日本語・日本文化研修留学生　インド

日本に来てからまだ3時間も経っていなかった。その時の一瞬の選択がシャツのボタンを一つ掛け間違えた時のような悔しさに繋がるとは、まだ知らなかった。関西空港から和歌山大学前駅への電車に乗った。初めてだったので、乗り換えが少し心配だったが、無事に和歌山大学前駅についた。駅の改札口を出て、一瞬もためらわず、西出口の方へ向かったのであった。まるで映画館を出た時のような別世界だったが、なぜか西出口で間違いないと自信満々だった。できるだけ早く、既に用意されている自分の部屋を見たいという考えもあったかもしれない。ところが、急がば回れということの意味をその日強く胸に刻んだのであった。逆方向へ来てしまったのだ。非常に悔しかったが、何事もなかったかのように私は西出口の道を歩くことにした。肩には15キロの重さのリュックと手には30キロぐらいの重さのスーツケースをもって。ところが、途中に長い登り坂があった。登り坂の道では己に挑戦するように向きになって、何とか歩き続けてやっと部屋に着いた。

ところが、あんなにひどい目にあったのに、後になって、自分でも驚いたことに、あの日、間違って通ったあの道をまた歩きたくなった。

あんなにひどい目にあったのになぜ私はあの場所にまた戻りたいのだろう。友達から聞いて気づいたが、私はその日のことを何度も友達に話したらしい。友達に話すと、友達は「日本に来てからもう9か月も経つのに、どうしてその日をまた思い出すのかな」と尋ねた。実をいうと、私には大事な時間の貴重な思い出や気持ちを忘れたくないという強い思いがある。その日以来にも、だんだん日本の生活に慣れてくるうち、忘れたくないという日が多くなっていった。

和歌山に来た当初は毎日暗くなるまで出かけ、何時間も歩き回って和歌山を満喫していた。和歌山での留学生活を支援してくださった WIN コンコードという NPO の方々と和歌山大学のおかげで、毎日新しい出会いがあり、毎日誰かと一緒に過ごしていた。最近では少し落ち着いてきて、一人でゆったり過ごす日も増えてきた。何をするわけでもなく、ただふらっと街を歩く日もある。誰かと会うにしても、一人で過ごすにしても、「和歌山にいる」という事実だけで私は心の底から幸せを感じる。そんなに和歌山が好きになってしまったのだ。好きな人の全てが美しく見えるように、私も和歌山での生活のいい経験も悪い経験も含めて美しく思うようになった。



こんなふうに思える場所に出会ったのは初めてである。長年住んでいるインドでも、旅した国々でも、こんなふうに恋した街は他にない。それでは、どうして和歌山が好きになったかというと、まず、和歌山で色々な人々との出会いがあったからである。以前、インドに住んでいた頃の私は、まるで

深海の魚のように無口の人だった。ところが、和歌山に来てから出会った人々が私をすっかり変えてくれた。例えば、同級生のギー、ピユミ、ムティアのことが頭に浮かぶ。この３人と一緒に食事に出かけるとき、食事中、いつもあるゲームをする。4 人は順番にお互いの真似をする。例えば、順番が回って私の出番になるとピユミの特殊な癖やよく使う言葉などの真似をする。そうすると 3 人はいつも笑いころげてしまう。その瞬間、―この気持ちを忘れたくないなーと私は思う。後になってまた、楽しい思い出があったあの場所にまた戻りたくなる。その瞬間をもう一度生きて見たくなる。

３人の同級生だけではない。初めての日本人の友達梨花さんの話をしないと和歌山での物語には大事な点が欠けることになる。長い夜明け前の星明かりとの出会いの話だ。梨花さんはまるで陽気な祭りの音楽のような楽しい人だ。失敗は成功のもとだとしっかり信じていた私は、つい最近まで無口だった私の口からいきなり雄弁な話が出ると一ミリも思っていなかったのだ。最初は失敗するだろうと思って梨花さんに話しかけたが、梨花さんは迷わず私のバカバカしい話に付き合ってくれた。少し勇気を得たのだった。それ以来、遠慮なく話すようになった。こんな私の背中を押してくれた梨花さんはまるで乾いた大地に降る恵みの雨のようなありがたい存在だ。やはり人との出会いは一番大切だ。そこでまた思ってしまう。またあの頃に戻れるのだろうかと。



和歌山が好きになった理由として挙げられるのは、出会った人々だけではない。話さなければならない理由はもう一つある。それは、和歌山の緑豊かな自然である。和歌山での美しい四季を体験できて夢かと思うほど嬉しい。和歌山に来てから一か月も経っているか経っていないかのうちに見る機会があった秋の燃えるような赤い紅葉、春の儚い夢のような桜、そして、雨上がりの宝石のようなあじさい。見たくてたまらなかったが、見た時の幸せを他の人にも知らせたくて、いつも私の姪に電話でその日に見た眺めのことを語る。彼女もいつも電話で聞いた眺めを自分の目で見てきたかのように話が終わる前に落書きをして送ってくる。それを見ていつも、また心の子鳥があの場所へ飛んでゆくのが不思議に思う。ただの落書きなのに…

今まで教育を受けるため色々なところに住んできた。それぞれの街で一日の終わりに戻ってくるところは確かに自分の家だったが、その家を実家のようだと思ったことがなかった。しかし和歌山に来て、人々から優しさと心の暖かさを感じ始めてから、和歌山を自分の第二の故郷だと思うようになった。帰国してからも和歌山での楽しい生活の日々のことを何度も何度も友達に話すだろう。その時は「何でまたその話を」と聞かれることもあろうかと思う。その時は、口にはしないけど、私は心の中でこう思うだろう「あの日のあの場所へ戻りたくて…」

# "সেইদিনটিৰ সেই ঠাইলৈ উভতি যাব বিচাৰি..."　(অসমীয়া)

**কৌশিক মজুমদাৰ**

**জাপানী ভাষা/জাপানী সংস্কৃতি প্ৰশিক্ষণ ছাত্ৰ　ভাৰত**

জাপানত উপস্থিত হোৱাৰ তিনি ঘণ্টাও হোৱা নাছিলে চাগে। মই নাজানিছিলো যে সেই সময়ৰ ক্ষণিকৰ সিদ্ধান্তই চাৰ্টৰ বুটামটো ভুলকৈ মাৰিলে অনুভৱ কৰাৰ নিচিনাকৈ একেটা হতাশাৰ সৃষ্টি কৰিব। কানছাই বিমানবন্দৰৰ পৰা ৰেলত উঠি ৱাকায়ামা দাইগাকু-মাএ ষ্টেচনলৈ গ'লোঁ। যিহেতু প্ৰথমবাৰৰ বাবে জাপানী ৰেলত উঠিচিলো, ৰেল সলনি কৰাৰ বাবে অলপ চিন্তা হৈছিল যদিও ৱাকায়ামা-ডাইগাকুমাই ষ্টেচনত নিৰাপদে উপস্থিত হ'লোঁ। ষ্টেচনৰ টিকট গেটৰ পৰা ওলাই আহি এক মুহূৰ্তৰ বাবেও দ্বিধাবোধ নকৰাকৈ পশ্চিম প্ৰস্থানৰ ফালে আগবাঢ়িলোঁ। চিনেমা হলৰ পৰা ওলাই আহি বেলেগ এখন জগতত থকাৰ  দৰে অনুভব হৈচিল যদিও কিবা কাৰণত মোৰ আত্মবিশ্বাস আছিল যে মই নিশ্চিতভাৱে পশ্চিমৰ প্ৰস্থানত আছো। ইতিমধ্যে সাজু হৈ থকা নিজৰ কোঠাটো যিমান পাৰি সোনকালে চাব বিচাৰিছিলো। কিন্তু সেইদিনা মই গম পালো " অতি টেঙৰৰ গলত ফাঁচী "ৰ অৰ্থ। দেখা গ'ল যে মই ওলোটা দিশতহে ওলালোগৈ। যদিও মই বৰ হতাশ হৈছিলো, তথাপিও মই পশ্চিমৰ প্ৰস্থান পথটোৰে যেন একো অসুবিধা নোহোৱাৰ নিচিনাকৈ খোজ কাঢ়িবলৈ ললো। মোৰ কান্ধত ১৫ কেজিৰ বেগ এটা আৰু হাতত ৩০ কেজিৰ ছুটকেছ এটা আছিল।  বাটত দীঘলীয়া পাহাৰ আছিল। ওপৰলৈ উঠি যোৱাৰ লগে লগে মই নিজকে প্ৰত্যাহ্বান জনাই খোজ কাঢ়ি  থাকিলোঁ, আৰু অৱশেষত মোৰ কোঠাটো পালোঁগৈ। ইমান কঠিন অভিজ্ঞতা হৈছিল যদিও সেইদিনা আকৌ সেই একেটা বাটতে খোজ কাঢ়িবলৈ মন যোৱাত আচৰিত হ'লোঁ।

ইমান বেয়া অভিজ্ঞতা, তাৰ পিছতো মই কিয় সেই ঠাইলৈ উভতি যাব বিচাৰিম? বন্ধুৰ পৰা শুনি বুজিলোঁ যে মই  সেই দিনটোৰ কথা ইতিমধ্যে বহুবাৰ কৈছিলো। বন্ধু-বান্ধৱীৰ লগত কথা পাতিলে , জাপানলৈ অহাৰ ইতিমধ্যে ন মাহ হ'ল যদিও সেই দিনটো আকৌ কিয় মনত পৰে বুলি সোধে। সঁচা কথা ক'বলৈ গ'লে গুৰুত্বপূৰ্ণ সময়ৰ বহুমূলীয়া স্মৃতি আৰু অনুভৱবোৰ পাহৰি যাবলৈ মোৰ একেবাৰে ইচ্ছা নাই। সেইদিনাৰ পৰা ক্ৰমান্বয়ে জাপানৰ জীৱনৰ লগত অভ্যস্ত হৈ অহাৰ লগে লগে এনেকুৱা বহু দিন আছিল যিবোৰ মই পাহৰিব বিচৰা নাছিলো।

প্ৰথম যেতিয়া ৱাকায়ামালৈ আহিছিলো, তেতিয়া প্ৰতিদিনে আন্ধাৰলৈকে ওলাই গৈছিলো, ঘণ্টাৰ পিছত ঘণ্টা ঘূৰি ফুৰিছিলো আৰু ৱাকায়ামাক সম্পূৰ্ণৰূপে উপভোগ কৰিছিলো। ৱাকায়ামাত মোৰ বিদেশত অধ্যয়নৰ জীৱনটোক সহায় কৰা এন পি অ' উইন কনকৰ্ড আৰু ৱাকায়ামা বিশ্ববিদ্যালয়ৰ অস্তিত্বত, ধন্যবাদ  প্ৰতিদিনে নতুন নতুন মানুহ লগ পাইছিলো আৰু প্ৰতিদিনে কাৰোবাৰ লগত সময় কটালোঁ। শেহতীয়াকৈ কথাবোৰ অলপ শান্ত হৈছে, আৰু মই অধিক সময় অকলে কটাবলৈ লৈছো। এনেকুৱা দিনো আছে যেতিয়া মোৰ একো কাম নাথাকে আৰু কেৱল চহৰত ঘূৰি ফুৰো। কাৰোবাক লগ পাওঁ বা অকলে সময় কটাওঁ, ৱাকায়ামাত থকাৰ কথাটোৰেই মোক অন্তৰৰ পৰা সুখী অনুভৱ কৰায়। ৱাকায়ামাৰ প্ৰেমত পৰিলোঁ। মই প্ৰেমত পৰা মানুহজনৰ সকলো কথাই যেনেকৈ ধুনীয়া লাগে, তেনেকৈয়ে ৱাকায়ামাত থাকি মোৰ ভাল বেয়া দুয়োটা অভিজ্ঞতাকে সামৰি ৱাকায়ামাৰ প্ৰেমত পৰিলোঁ।

এইবাৰ প্ৰথমবাৰৰ বাবে এনেকুৱা ঠাইৰ সন্মুখীন হ'লোঁ। ভাৰতেই হওক, বহু বছৰ বাস কৰি অহা দেশেই হওক, ভ্ৰমণ কৰা দেশবোৰেই হওক, মই কেতিয়াও এনেধৰণৰ আন কোনো চহৰৰ প্ৰেমত পৰা নাই। কিন্তু মই কিয় ৱাকায়ামাৰ প্ৰেমত পৰিলোঁ? কাৰণ ইয়াত  ভিন্ন মানুহ লগ পাইছিলো। আগতে যেতিয়া ভাৰতত থাকিছিলো তেতিয়া মই আছিলোঁ এজন নিস্তব্ধ মানুহ, গভীৰ সাগৰৰ মাছৰ দৰে। অৱশ্যে ৱাকায়ামালৈ অহাৰ পিছত লগ পোৱা মানুহবোৰে মোক সম্পূৰ্ণৰূপে সলনি কৰি দিলে।  মোৰ সহপাঠী গি, পিয়ুমি, মুথিয়াৰ কথা মনলৈ আহে। আমি চাৰিওজনে খাবলৈ ওলাই গ'লে খাদ্যৰ সময়ত সদায় এটা খেল খেলো। তিনিওজনে পাল পাতি ইজনে সিজনক অনুকৰণ কৰো। উদাহৰণস্বৰূপে, যেতিয়া মোৰ  পাল আহে, তেতিয়া মই পিয়ুমীৰ বিশেষ অভ্যাস আৰু তাই প্ৰায়ে ব্যৱহাৰ কৰা শব্দবোৰ অনুকৰণ কৰো। আমি তিনিওজনে সদায় হাঁহি হাঁহি অস্থিৰ হৈ যাও । সেই মুহূৰ্তত মই এই অনুভৱটো পাহৰিব নিবিচাৰো। পিছত আকৌ ভাবো, ``কি কৰিম?'' মোৰ মনত এনেকুৱা ভাল লগা স্মৃতি আছে যিবোৰে মোৰ আকৌ সেই ঠাইলৈ উভতি যাবলৈ মন কৰায়। সেই মুহূৰ্তটো মই আকৌ জীয়াব বিচাৰো।

দীঘলীয়া ভোৰ হোৱাৰ আগতেই তৰাৰ পোহৰৰ সৈতে হোৱা মুখামুখিৰ কাহিনী। ৱাকায়ামালৈ অহাৰ পিছত মোৰ প্ৰথম জাপানী বন্ধু ৰিকাৰ কথা নক'লে ৱাকায়ামাৰ কাহিনী সম্পূৰ্ণ নহ'ব। উল্লাসিত উৎসৱৰ সংগীতৰ দৰে উল্লাসিত ব্যক্তি ৰিকা। মই দৃঢ় বিশ্বাস কৰিছিলো যে বিফলতাই সফলতাৰ চাবিকাঠি, আৰু শেহতীয়াকৈ নিস্তব্ধ হৈ থকা মোৰ মুখখনে হঠাতে ইমান বাকপটুতাৰে কথা ক'ব বুলি মই এক মুহূৰ্তৰ বাবেও আশা কৰা নাছিলো। প্ৰথমতে মই বিফল হ'ম বুলি ভাবি ৰিকাৰ লগত কথা পাতিলোঁ, কিন্তু ৰিকাই মোৰ নিৰস কথা বিলাকো কোনো সংকোচ নোহোৱাকৈ শুনে। কিছু সাহস পাইছিলো। তেতিয়াৰ পৰাই মই মুক্তভাৱে কথা ক'বলৈ আৰম্ভ কৰিলোঁ। খৰালৰ দিনৰ আশীৰ্বাদ  স্বৰূপ বৰষুণৰ দৰে মোক এনেকৈ উৎসাহ

দিয়াৰ বাবে ৰিকাৰ প্ৰতি মই কৃতজ্ঞ। মানুহক লগ পোৱাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ। এই কথাটো আকৌ এবাৰ মনলৈ আহে। ভাবিছোঁ সেই দিনবোৰলৈ উভতি যাব পাৰিম নেকি?

ৱাকায়ামাৰ প্ৰেমত পৰাৰ কাৰণবোৰৰ ভিতৰত আন এটা কাৰণো আছে যিটোৰ কথা মই ক'ব লাগিব। সেইটো হৈছে ৱাকায়ামাৰ ধুনীয়া প্ৰকৃতি। ৱাকায়ামাৰ ধুনীয়া চাৰিটা ঋতুৰ অভিজ্ঞতা লাভ কৰি সপোনৰ দৰে অনুভৱ হয়। ৱাকায়ামাত উপস্থিত হোৱাৰ এমাহমানৰ ভিতৰতে শৰতৰ অগ্নিময় ৰঙা পাত, বসন্তৰ সপোনৰ দৰে চেৰী ফুল আৰু বৰষুণযাক এৰাৰ পিছৰ মুকুতা মণিৰ দৰে জিলিকি থকা হাইড্ৰেঞ্জিয়াবোৰ দেখাৰ সুযোগ পালোঁ। মই চাবলৈ উন্মনা হৈ আছিলোঁ। সেই দৃশ্যবোৰৰ কথা মোৰ ভতিজীজনীক সদায় ফোনত কওঁ কাৰণ মই বিচাৰো যে মই দেখিলে মই কিমান সুখী হৈছিলো আনসকলে জানক। কথা-বতৰা শেষ হোৱাৰ আগতেই তাই সদায় স্ক্ৰিবল কৰি মেছেজটো পঠিয়াই দিয়ে, যেন তাই ফোনত শুনা দৃশ্যটো নিজ চকুৰে দেখিছে। চাওঁতে যেন মোৰ হৃদয়ৰ সৰু চৰাইটো উৰি গৈ সেই ঠাইলৈ উভতি যায়গৈ। যদিও স্ক্ৰিবলবোৰ সামান্য আঁক-বাঁকহে মাথোন...

মই শিক্ষা লাভৰ বাবে বিভিন্ন ঠাইত বাস কৰিছো। প্ৰতিটো দিনৰ শেষত  মই নিজৰ ৰুমলৈ উভতি আহো।কিন্তু মই তাক কেতিয়াও নিজৰ ঘৰৰ দৰে বুলি ভবা নাছিলো। কিন্তু ৱাকায়ামালৈ আহি মানুহৰ দয়া আৰু উষ্ণতা অনুভৱ কৰিবলৈ আৰম্ভ কৰাৰ পিছত মই ৱাকায়ামাক মোৰ দ্বিতীয় ঘৰ বুলি ভাবিবলৈ ধৰিলোঁ। ঘৰলৈ উভতি অহাৰ পিছতো মই নিশ্চিত যে মই মোৰ বন্ধুসকলক বাৰে বাৰে ৱাকায়ামাত থাকি কটোৱা মজাৰ সময়বোৰৰ কথা ক'ম। সেই সময়ত মোক হয়তো সোধা হ'ব, ``তই বাৰে বাৰে কিয় সেই একেটাই কথা কৈ আছ?" সেই সময়ত মই ডাঙৰকৈ নকওঁ, কিন্তু মনে মনে ভাবিম, "সেইদিনটিৰ সেই ঠাইলৈ উভতি যাব বিচাৰি..."